**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ৩৮০/২০২০**

# ঈদ-উল-ফিতৰ উপলক্ষে মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ২৪ মে’ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঈদ-উল-ফিতৰ উপলক্ষে ৰাজ্যখনৰ ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ লগতে সমূহ অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ঈদ-উল-ফিতৰ হ’ল ইছলাম ধৰ্মাৱলম্বী জনসাধাৰণৰ এক অতি পৱিত্ৰ উৎসৱ। ঈদ-উল-ফিতৰ উৎসৱে আমাক ত্যাগ, কৰুণা আৰু মানৱ প্ৰেম আৰু ভাতৃত্ববোধৰ মহান অনুভূতিৰে উদ্বুদ্ধ কৰে। ঈদ-উল-ফিতৰ পালনৰ জৰিয়তে জনসাধাৰণৰ মাজত বৰ্তি থকা প্ৰেম, ভাতৃত্ববোধৰ বান্ধোন অধিক সুদৃঢ় হোৱাৰ উপৰি পাৰস্পৰিক বুজাবুজিৰে মানৱ কল্যাণৰ হকে কাম কৰিবলৈ সকলোকে অনুপ্ৰাণিত কৰে।

ক’ভিড-১৯ অতিমাৰীৰ এই জটিল সন্ধিক্ষণত পালন কৰা এইবাৰৰ ঈদ-উল-ফিতৰ উৎসৱত এই দুঃসময়ৰ পৰা সমগ্ৰ মানৱ জাতিক ৰক্ষা কৰাৰ হেতু প্ৰাৰ্থনা কৰাৰ বাবে ইছলাম ধৰ্মী জনসাধাৰণক আহ্বান জনোৱাৰ লগতে সামাজিক দূৰত্ব তথা ক’ভিড-১৯ ৰ অন্যান্য প্ৰট’কল মানি চলি এই উৎসৱ পালন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

**বঃভাঃ /পুঃডেঃ**
**২৪/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in